

যোৰহাট মহাবিদ্যালয়ৰ কেইটামান কোষৰ কর্মসূচীৰ এক অৱলোকন

ৰশ্মি দাস
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ (একত্রিত)

অসমৰ যোৰহাট মহাবিদ্যালয় মাজমজিয়াত ১৯৬২ চনত প্রতিষ্ঠিত হোৱা ঐতিহ্যমণ্ডিত যোৰহাট মহাবিদ্যালৰ গুণগত শিক্ষাৰ ক্ষেত্রত এক সুকীয়া গৰিমা আছে। প্রধানতঃ ৮ টা গুৰু বিষয়ত স্নাতক ডিগ্রী প্রদান কৰাৰ লগতে কলা আৰু বিজ্ঞান শাখাতো উচ্চতৰ মাধ্যমিকৰ শিক্ষাৰ পাঠদান দিয়া হয়। তদুপৰি যোৰহাট মহাবিদ্যালয়ত দূৰ শিক্ষাৰ পাঠ্যক্রমত স্নাতকোত্তৰৰ বিভিন্ন বিষয়ত নামভর্তি অব্যাহত থাকে। মানৱ সম্পদৰ উন্নতিৰ হকে যোৰহাট মহাবিদ্যালয়ৰ পৰিয়ালবর্গই শিক্ষাৰ গুণগত দিশটোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি সময়ে সময়ে বিভিন্ন গুৰুত্বপূর্ণ কার্যসূচীৰ আয়োজন কৰি আহিছে। ছাত্র-ছাত্রীসকলৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক তথা সর্বাগীন বিকাশৰ বাবে পাঠ্যক্রমৰ বিভিন্ন বিষয়সূচীৰ উপৰি সহ-পাঠ্যক্রমৰ কার্যসূচীসমূহত অংশগ্রহণ কৰিবলৈ যোৰহাট মহাবিদ্যালয়ে সম্পূর্ণ পৰিৱেশৰ সৃষ্টি কৰি তোলে। কেৱল মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীৰ তথা শিক্ষকসকলৰ উন্নতিৰ বাবেই নহয়, বৃহত্তৰ দেশখন তথা সমাজৰ প্রগতি, একতা আৰু শান্তিৰ বাবে বহু ভিন্ন কার্যসূচী যোৰহাট মহাবিদ্যালয়ৰ কোষসমূহে আয়োজন কৰি আহিছে। মহাবিদ্যালয়ৰ বিভিন্ন কোষসমূহ একো একোজন অধ্যাপক বা অধ্যাপিকাৰ তত্ত্বাৱধনত কার্যসূচীসমূহ আয়োজন কৰা হয়। কোষসমূহ যেনে—বৌদ্ধিক সম্পদ অধিকাৰ কোষ, গৱেষণা কোষ, সুৰেন্দ্র নাৰায়ণ ৰাজকুমাৰ যাদুঘৰ কোষ। এই তিনিওটি কোষৰ তত্ত্বাৱধায়কে ড° দিগন্ত কুমাৰ ফুকন, সহযোগী অধ্যাপক, সমাজতত্ব বিভাগ। ইয়াৰ উপৰি আছে 'ভাষাচার্য ড° গোলোকচন্দ্র গোস্বামী ভাষা অধ্যয়ন কোষ'। ইয়াৰ সমন্বয়কদ্বয় হ'ল অধ্যাপক ড° দ্যোতির্ময় বৰদলৈ আৰু ড° গীতার্থ গোস্বামী।

যোৰহাট মহাবিদ্যালয়ৰ বৌদ্ধিক সম্পদ

অধিকাৰ কোষৰ অধীনত মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকৰ বৌদ্ধিক বিকাশৰ প্ৰতি দৃষ্টি ৰাখি সময়ে সময়ে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়। যেনে— বিশ্ব বৌদ্ধিক সম্পদ দিৱস, ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ আয়োজন আদি। ২০১৮ চনত যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত কেইবাগৰাকী অধ্যাপক আৰু অধ্যাপিকা সদস্যৰে এই কোষ গঠন কৰা হৈছিল। এই কোষৰ সমন্বয়ক ড° দিগন্ত কুমাৰ ফুকন আৰু সদস্য বৃন্দ হ'ল মণীষা দুৰৱা, শুভ্ৰজ্যোতি চন্দ, ড° বিদ্যুৎ বৰা ।এই কোষৰ অধীনত অনুষ্ঠিত কৰিবলগীয়া অনুষ্ঠানসমূহৰ গুণগত দিশটোৰ উন্নতিৰ বাবে ২০১৮ চনৰ ২৬ অক্টোবৰ তাৰিখে এই কোষৰ প্ৰথমখন সভা অনুষ্ঠিত কৰা হয়। ২০১৯ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে এই কোষে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকাৰণ কোষৰ সহযোগত বৌদ্ধিক সম্পদ অধিকাৰৰ বিষয়টোৰ ওপৰত এটি বক্তৃতানুষ্ঠানৰ আয়োজন সম্পূৰ্ণ কৰে। ড° গাৰ্গী শৰ্মা, সহকাৰী অধ্যাপিকা, Plant Breeding and Genetics বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট, তেখেতে এই বক্তৃতানুষ্ঠানটিৰ মুখ্য বিষয়টোৰ ওপৰত সবিশেষ আলোকপাত কৰে। যেনে— Plagarism, Copyright, Trademark, GI Tag, Trade secreets, World Intelletual Property Organisation ইত্যাদি। এইসমূহ বিষয়ত ওপৰত তেখেতে সভাত উপস্থিত সমূহ শিক্ষকবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ সবিশেষ আৰু সুন্দৰ বিবৰণ আগবঢ়ায়। ক্ৰমান্বয়ে ২০২০ চনৰ ৭ মাৰ্চ তাৰিখে মহাবিদ্যালয় বৌদ্ধিক সম্পদ অধিকাৰ কোষে (LISPA) Library and Information Science professional Association, Assam ৰ সহযোগ "বৌদ্ধিক সম্পদ অধিকাৰ আৰু যান্ত্ৰিক সম্পদসমূহ' এই বিষয়ৰ ওপৰত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰে। এই আলোচনাচক্ৰৰ মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে Dr. Parvez Aktar, University Librarian, Moulana Azad national under University, hyderabad and Dr. Mathes Motebennur, Former Librarian, Rajib Gandhi University, Andhra Pradesh একেদৰে ২০২২ চনৰ ২৬ এপ্ৰিল তাৰিখে এই কোষে মহাবিদ্যালয়ৰ গৱেষণা কোষৰ সহযোগত "বৌদ্ধিক সম্পদ অধিকাৰ" দিৱস উপলক্ষে "World Intellectual property Right Day" বিষয়টোৰ ওপৰত এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ অনুষ্ঠিত কৰে। এই আলোচনাচক্ৰৰ মুখ্য বক্তা হিচাপে ভাষণ প্ৰদান কৰে- Dr. Nurul Amin, Associate Prof. Department of Geology, জে,বি, কলেজ, যোৰহাট আৰু Prof. Ananta Saikia, Department of Horticulture, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট।

উল্লেখযোগ্য যে বৌদ্ধিক সম্পদ অধিকাৰ কোষৰ দৰে মহাবিদ্যালয়ৰ গৱেষণা কোষেয়ো বিভিন্ন শৈক্ষিক কাৰ্যসূচী সম্পন্ন কৰিছে। ২০১৬ চনৰ মে' মাহৰ ২৪ তাৰিখে এই কোষ গঠন কৰা হৈছিল। এই কোষৰ সভাপতি ড° দেৱব্ৰত শৰ্মা আৰু সমন্বয়ক ড° দিগন্ত কুমাৰ ফুকন। এই কোষৰ সদস্যসকল হ'ল ড° নীলিমা বৰা, ড° সৌমিত্ৰ পূজাৰী, ড° গীতাৰ্থ গোস্বামী, ড° বিদ্যুৎ বৰা ।এই কোষে আয়োজন কৰা প্ৰথমখন সভাতে "Research Methology ওপৰত এখনি কৰ্মশালা আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিভিন্ন সদস্য আৰু সমন্বয়কৰ উপস্থিতিত সভাখন আয়োজন কৰা হয়। ড° দেৱব্ৰত শৰ্মা ডাঙৰীয়াই পি. এইচডি ডিগ্ৰীৰ গুৰুত্ব সম্পৰ্কে এই সভাত সবিশেষ বক্তব্য আগবঢ়ায়।

ক্ৰমান্বয়ে ২০১৬ চনৰ ২৭ জুন তাৰিখে এই কোষৰ অধীনত "Preparation and Submission of ICSSR, UGC Research Project Proposals" বিষয়টিৰ ওপৰত এখনি কৰ্মশালা অনুষ্ঠিত কৰে। ড° নীলিমা বৰা, সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ, যোৰহাট মহাবিদ্যালয় আৰু জুলি শইকীয়া, শিক্ষাবিভাগ, যোৰহাট মহাবিদ্যালয়, দুয়ো মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি জুলি শইকীয়া ডাঙৰীয়ানীয়ে তেখেতৰ গৱেষণা কৰ্মৰ ওপৰত সবিশেষ বক্তব্য আগবঢ়ায়। সকলোৰে সহযোগিতাৰ বাবে ধন্যবাদ আগবঢ়ায়। উল্লেখযোগ্য

যে ২০১৬ চনৰ ২১ জুলাই তাৰিখে গৱেষণা কোষে Research Methodology ওপৰত এখন শিক্ষার্থীৰ কর্মশালাৰ আয়োজন কৰে। সর্বমুঠ চাৰিটা সন্মিলনত এই কর্মশালাৰ সম্পন্ন কৰে। পৰৱর্তী পর্যায়ত ২০১৬ চনৰ ২১ জুলাই তাৰিখে আকৌ এই কোষৰ অধীনত এখন সভা অনুষ্ঠিত হয়। এই সভাত Minor Research Project Proposal ৰ ওপৰত আলোচনা কৰা হয়। এই প্রজেক্টৰ গৱেষক হিচাপে আছিল মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা যুতিমালী শইকীয়া। আর্থিক অনুদানৰ বাবে এই প্রজেক্টটি বিশ্ববিদ্যালয় অনুদান আয়োগলৈ প্রেৰণ কৰাৰ বিষয়ে সবিশেষ আলোচনা সমূহ সদস্যৰ উপস্থিতিত সবিশেষ আলোচনা কৰি এই সভাত সিদ্ধান্ত গ্রহণ কৰা হৈছিল। বিষয়টো আছিল "Status of elementary education among Missing Girls of Assam with special reterence to Jorhat District" একেদৰে ২০১৬ চনৰ ২২ আগষ্ট তাৰিখে এই কোষৰ অধীনত অন্য এখন সভা অনুষ্ঠিত কৰি সহায্যৰ আবেদনৰ বাবে সভাখনত আলোচনা কৰা হয়। Minor Research Project প্রস্তাৱৰ ওপৰত মিনতি গগৈ, সহযোগী অধ্যাপিকা, দর্শন বিভাগে যোৰহাট মহাবিদ্যালয়, তেখেতে "Swami Vivekananda's Philosophy of Education and Implementation by Vivekananda Kendra Siksha prachar Vivhag" শীর্ষক বিষয়টিৰ ওপৰত গৱেষণা কার্য সম্পন্ন কৰিবলৈ গৱেষণা কোষৰ এই সভাত প্রস্তাৱ আগবঢ়ায়। একেদৰে ২০১৬ চনৰ ২২ চেপ্তেম্বৰ তাৰিখে এই কোষে আয়োজন কৰা সভাখনিত অনিমা নেওগ, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ যোৰহাট মহাবিদ্যালয়, ডাঙৰীয়ানীক 'Save Bharat Samar Sahitya Sanskriti Pratisthan' কলকাতৰ দ্বাৰা সন্মানীয় "Janan Sahitya Sahman - 2016 সন্মান লাভ কৰাৰ বাবে এই কোষে তেখেতক আদৰণি জনায়। একেদৰে ২০১৭ চনৰ ৪ এপ্রিল তাৰিখে 'Gana Odhikar Asom Hitoishi Bota' লাভ কৰা ড° দেবব্রত শর্মাক এই কোষৰ সমন্বয়ক ড° দিগন্ত কুমাৰ ফুকন ডাঙৰীয়াৰ লগতে সমূহ সদস্যই শর্মা ডাঙৰীয়াক সন্মান জনায়। ইয়াৰ পিছতে ২০১৭ চনৰ ৩০ চেপ্তেম্বৰ তাৰিখে অন্য এখন সভা গৱেষণা কোষে অনুষ্ঠিত কৰে। এই সভাত ড° দেবব্রত শর্মাক ডাঙৰীয়াক Sahitya Sabha, Sivsagar ৰ দ্বাৰা প্রদান কৰা 'Dr. Moydul Ilam Bora Sahita Bota' লাভ কৰাৰ বাবে সন্মান জনোৱা হয়। লগতে গুৰু গৱেষণা প্রজেক্টৰ প্রস্তাৱ দাখিলৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ সকলোকে উৎসাহিত কৰি এই সভাত আলোচনা কৰা হয়। ২০১৮ চনৰ ৩০ জুলাই তাৰিখে এই কোষে অনুষ্ঠিত কৰা সভাখনিত ৰাজনীতি বিজ্ঞান বিভাগ, যোৰহাট মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বিদ্যুৎ বৰাক সন্মানিত কৰা হয় তেওঁ লণ্ডনৰ কেইবাখনো বিশ্ববিদ্যালয়ত, পি. এইচডি গৱেষণাৰ বাবে বিভিন্ন বিষয় সম্বন্ধীয় তথ্য সংগ্রহ কৰাৰ বাবে তেওঁক এই কোষে আদৰণি সম্ভাষণ জনায়। এই সভাতে গৱেষণা প্রকল্প সম্বন্ধে আলোচনা কৰা হয়। গীতার্থ গোস্বামী, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ, যোৰহাট মহাবিদ্যালয়, তেওঁ 'The Role of the Status in Assamese Nation Building process Problems and Prospects' বিষয়টি ICSSR লৈ গৱেষণা প্রকল্প হিচাপে প্রেৰণ কৰাৰ সন্দর্বত সবিশেষ আলোচনা কৰা হয়। তদুপৰি ড° দিগন্ত কুমাৰ ফুকন ডাঙৰীয়াই ড° দেবব্রত শর্মাক 'Supplimetary Livelihood; Its effect on Society and Environment' বিষয়টি এই সভাতে প্রেৰণ কৰা হয়। ক্রমান্বয়ে ২০১৯ চনৰ ২৪ ফেব্রুৱাৰী তাৰিখে 'National Science Day' উদযাপন কৰা হয়। এই দিৱসৰ গুৰুত্বৰ ওপৰত ড° জীৱন শইকীয়া, সহকাৰী অধ্যাপক, পদার্থবিজ্ঞান বিভাগ, ডাঙৰীয়াই সবিশেষ আলোকপাত কৰে।

পৰৱর্তী সময়ত এই কোষৰ দ্বাৰা বিদুৎ বৰাৰ সম্ভাষণৰ সভাৰ আয়োজন কৰা হয়। তেওঁ JNU ৰ পৰা 'Cyprus Contlict: Challenges to peace Building' শীর্ষক বিষয়টিৰ ওপৰত পি.এইচ.ডি ডিগ্রী লাভ কৰে। অসমৰ স্বাভিমান গামোচা আৰু মানপত্রৰে তেওঁক

আদৰণি জনোৱা হয়।

উল্লেখযোগ্য যে পৰৱৰ্তী কালত গৱেষণা কোষে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত এখনি কৰ্মশালাৰ আয়োজন কৰে। এই কৰ্মশালাৰ বিষয়টি হ'ল 'Writing and Presentation of Seminar paper' ২০২১ চনৰ ১০ ফেব্ৰুৱাৰীপৰা তিনি দিনৰ বাবে ছাত্ৰ-ছাত্ৰীৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছিল। এই কৰ্মশালাৰ সন্মিলনৰ মুখ্য ব্যক্তিসকল আছিল— ড° বিদুৎ বৰা সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, ড° সৌমিত্ৰ পূজাৰী, সম্বন্বয়ক আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ, যোৰহাট মহাবিদ্যালয় ; ড° গীতাৰ্থ গোস্বামী, সহকাৰী অধ্যাপক ইংৰাজী বিভাগ, যোৰহাট মহাবিদ্যালয়, ড° জগতজ্যোতি বৰুৱা, সহকাৰী অধ্যাপক, যোৰহাট মহাবিদ্যালয়। গৱেষণাক কেন্দ্ৰ কৰি আয়োজন কৰা কৰ্মশালাখনত গৱেষণাৰ ভিন্ন দিশসমূহৰ ওপৰত সবিশেষ আলোচনা কৰা হয়। ১০০ ৰ অধিক ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশ গ্ৰহণে এই কৰ্মশালাক সফল কৰি তোলে।

উল্লেখযোগ্য যে তিতাবৰ বগৰ গাওঁ, অসমৰ এখন ঐতিহাসিক ঠাই য'ত এখনি সবাৰ আয়োজন কৰা হয়। এই সভাখনত যোৰহাট মহাবিদ্যালয় গৱেষণা কোষৰ তৰফৰপৰা নিম্নলিখিত সদস্যসকল উপস্থিত থাকে। ড° দেবব্ৰত শৰ্মা, ড° দিগন্ত কুমাৰ ফুকন, (সমন্বয়ক) উৎপল দত্ত(উপাধ্যক্ষ), ড° গীতাৰ্থ গোস্বামী, ড° বিদ্যুৎ বৰা, ৰক্তিমজ্যোতি হাজৰিকা। ড° দেৱব্ৰত শৰ্মাই এই সভাৰ আঁত ধৰি মোৱামৰীয়া ৰিবিলিয়নৰ ওপৰত আলোকপাত কৰে। ২০২১ চনৰ ২৭ ফেব্ৰুৱাৰী দিনা এই সভা অনুষ্ঠিত কৰা হৈছিল।

গৱেষণাৰ শেষ নিজৰ কৰ্মধাৰা অব্যাহত ৰাখি ২০২১ চনৰ ১ মাৰ্চ তাৰিখে দুতিৰাম হাজৰিকাদেৱৰ সোঁৱণীত এখন সভাৰ আয়োজন কৰে। তেওঁ অসম পদ্যবুৰঞ্জীৰ প্ৰণেতা আছিল। যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেবব্ৰত শৰ্মাই তেওঁ দুতিৰাম হাজৰিকাদেৱৰ অৱদান সম্বন্ধে এই সভা সবিশেষ বৰ্ণনা কৰে।

ইয়াৰ উপৰি মহাবিদ্যালয় এই গৱেষণা কোষে সময়ে সময়ে আলোচনাচক্ৰৰো আয়োজন কৰি আহিছে। ২০২১ চনৰ ২০ জুনৰ তাৰিখে গৱেষণা কোষে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত এখনি আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। আলোচনাচক্ৰৰ বিষয়টি আছিল Bishnuprasad Rabha Jibon and Kritir Mnlyayan; Oitihaskik Ruprekha' বিষ্ণুৰাভা দিৱসৰ উপলক্ষে এই জালোচনাচক্ৰ অনুষ্ঠিত কৰা হৈছিল। এই আলোচনাচক্ৰৰ মুখ্য বক্তা আছিল ড° অৰবিন্দু ৰাজখোৱা, সহযোগী অধ্যাপক, মুৰব্বী, অসমীয়া বিভাগ, উত্তৰ লক্ষিমপুৰ মহাবিদ্যালয়।

একেদৰে অসমৰ বণিয়াসকলক ইতিহাস তথা "অসমৰ পদ্য বুৰঞ্জীৰ প্ৰণেতা দুতিৰাম স্বৰ্ণকাৰ হাজৰিকা সাতোলাক ২১৫ সংখ্যক জন্মবৰ্ষত যোৰহাট মহাবিদ্যালয় গৱেষণা কোষে আৰু দুতিৰাম হাজৰিকা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগতৰ ৰাষ্ট্ৰীয় ৰেবিনাৰ ২০২১ চনৰ ৭ জানুৱাৰী তাৰিখে অনুষ্ঠিত কৰা হয়। এই আলোচনাচক্ৰত মুখ্য বক্তব্য আগবঢ়াইছিল Prof. লক্ষ্মীকান্ত হাজৰিকা, শৈক্ষিক পঞ্জীয়ক, অসম মহিলা বিশ্ববিদ্যালয়, Prof. ড° শীলা বৰা, Retd. Prof.ইতিহাস বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয় ৰীণা ঢলোৱা দাস, স্বৰ্গীয় দুতিৰাম হাজৰিকা সম্পৰ্কে ড° দেৱব্ৰত শৰ্মা, অধ্যক্ষ যোৰহাট মহাবিদ্যালয় ; প্ৰদীপ আচাৰ্য, Retd. Prof. কটন বিশ্ববিদ্যালয়। এই বিশিষ্ট ব্যক্তিসকলে দুতিৰাম হাজৰিকা সম্বন্ধে সুন্দৰ বক্তব্য আগবঢ়ায় আৰু তেওঁৰ অৱদানৰ আলোকপাত কৰে। শ্ৰীযুতা বৰ্ণালী শৰ্মা কটকী, মুৰব্বী, ইতিহাস বিভাগ, যোৰহাট মহাবিদ্যালয়, তেখেতে এই সভাত আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়ায়।

ক্ৰমান্বয়ে গৱেষণা কোষে মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহযোগত যুটীয়াভাৱে ২০২১ চনৰ

২০ ডিচেম্বৰ তাৰিখে এখন সভা অনুষ্ঠিত কৰে। এই সভাৰ মূল বিষয়বস্তু আছিল 'Media Education Media Literacy, Present media Science' এই সভাত বক্তৃতা প্ৰদান কৰে বিশিষ্ট ব্যক্তি শ্ৰী পলাশজ্যোতি বৰুৱা। Dsitrict Media Expert, NHM, অসম। ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁ কৰা প্ৰশ্ন-উত্তৰ শিতানৰ লগতে পূৰ্ণাগ বাৰ্তালাপে সভাখন সফল কৰি তোলে।

আনহাতে ফৰকাটিং মহাবিদ্যালয়ে নাকৰ চতুৰ্থ পৰ্যায়ত (Cycle)ত A+ আহৰণ কৰিবলৈ সক্ষম উপলক্ষে ফৰকাটিং মহাবিদ্যালয়ৰ বহুকেইজন জ্যেষ্ঠ-কনিষ্ঠ অধ্যাপক-অধ্যাপিকাক যোৰহাট মহাবিদ্যালয়ৰ গৱেষণা কোষে আদৰণি সম্ভাষণ জনায়। এই সভাখন ২০২২ চনৰ ২৫ ফেব্ৰুৱাৰী দিনা অনুষ্ঠিত কৰা হয়। এই সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেবব্ৰত শৰ্মা উপস্থিত থকাৰ লগতে সকলো সদস্য আৰু ছাত্ৰ-ছাত্ৰীও অংশগ্ৰহণ কৰে।

২০২২ চনৰ ১১ মাৰ্চ তাৰিখে গৱেষণা কোষে এখন সভা অনুষ্ঠিত কৰে। বৃহৎ গৱেষণাৰ জৰীপ সম্বন্ধে এই সভাই আলোচনা কৰে। শিক্ষকবৃন্দৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে এই গুৰু গৱেষণা প্ৰকল্প সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গৱেষণা কাৰ্যৰ বাবে প্ৰশ্নসূচী আৰু সাক্ষাৎকাৰ সূচী ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰে। তাৰোপৰি স্বাধীনতা সংগ্ৰামী Lmgmi Region আজাদ হিন্দ ফৌজৰ এজন সদস্য, তেখেতকো সম্বধনা জনোৱা হয়। এই সভাতে ইউক্ৰেইনত MBBS সম্পূৰ্ণ কৰা ডক্টৰৰ লগত ভাৰবিনিময় কৰা কথা সিদ্ধান্ত গ্ৰহণ কৰে। সেইদৰে ২০২২ চনৰ ১৪ মাৰ্চ তাৰিখে যোৰহাট মহাবিদ্যালয়ৰ গৱেষণা কোষৰ উদ্যোগত ইউক্ৰেইনত কৰ্মৰত অসমীয়া চিকিৎসক ড° চুবিনাফা গগৈৰ লগত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ প্ৰত্যক্ষদৰ্শী ডাঃ গগৈ ডাঙৰীয়াৰ লগত এই মত বিনিময় অনুষ্ঠানৰ আঁত ধৰে ড° দিগন্ত কুমাৰ ফুকন আৰু ড° ৰঞ্জিত ভট্টাচাৰ্যই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই উদ্বোধন কৰা এই অনুষ্ঠানত ডাঃ চুবিনফা গগৈয়ে ৰাছিয়া ইউক্ৰেইনৰ যুদ্ধৰ মুহূৰ্তসমূহৰ লগতে অভিজ্ঞতা, পৰিস্থিতিসমূহৰ বিষয়ে বক্তব্য প্ৰদান কৰাৰ লগতে শিক্ষক ছাত্ৰ-ছাত্ৰীসকলে এই যুদ্ধৰ সম্পৰ্কে সোধা প্ৰশ্নসমূহৰ উত্তৰ প্ৰদান কৰে। অনুষ্ঠানত ড° বিদ্যুৎ বৰাই শলাগৰ শৰাই প্ৰদান কৰে।

একেদৰে ২০২২ চনৰ ১৫ জুন তাৰিখে বুধবাৰে যোৰহাট মহাবিদ্যালয়ৰ সভাকক্ষত গৱেষণা কোষ আৰু দুতিৰাম স্বৰ্ণকাৰ হাজৰিকা স্মৃতিৰক্ষা সমিতিৰ এখন যুটীয়া সভা অনুষ্ঠিত হয়। সভাৰ সভাপতিত্ব কৰে, যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মা ডাঙৰীয়াই। এই সভাৰ মূল উদ্দেশ্য হ'ল অহা ১ জুলাইত দুতিৰাম হাজৰিকা ডাঙৰীয়াৰ স্মৃতিৰ লগত সংগতি ৰাখি তেখেতৰ বিষয়ে এখন গ্ৰন্থ প্ৰকাশ পায়। এই সন্দৰ্ভত এই সভাত উপস্থিত থকা সদস্যসকলৰ আলোচনা মৰ্মে প্ৰায় ১১০ জনমান সদস্য উপস্থিত থাকে। লগতে দুতিৰাম হাজৰিকাৰ লেখাসমূহৰ ওপৰত এখন গৱেষণামূলক গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে দুতিৰাম হাজৰিকাৰ মূৰ্তি স্থাপন কৰাৰ সিদ্ধান্ত কৰা হয়। ইয়াৰ পিছতে বিত্তীয় প্ৰসংগ আলোচনা কৰা হয়। এই সন্দৰ্ভত যোৰহাট মহাবিদ্যালয়ে কৰা আপ্যায়নৰ খৰচ বহন কৰিব আৰু ৪০,০০০ টকা অসম জাতীয় অভিধানৰ প্ৰকাশনৰ পৰা আগবঢ়ায়। তাৰোপৰি উত্তম হাজৰিকা ডাঙৰীয়াই বক্তব্য প্ৰদান কৰে। ২০২২ চনৰ ২৬ জুন তাৰিখে এখন সভা অনুষ্ঠিত কৰা হয়। আজি সভাৰ মূল উদ্দেশ্য হ'ল অহা ১ লা জুলাইত মহাবিদ্যালয়ত পদ্য বুৰঞ্জীৰ প্ৰণেতা দুতিৰাম হাজৰিকা সাতোলাৰ মৃত্যু দিৱসৰ অগ্ৰগতিৰ ওপৰত আলোচনা কৰা হয়। সভাখন ড° দিগন্ত ফুকনে আঁত ধৰে। অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই অগ্ৰগতিৰ সম্পৰ্কে জনায়। দুতিৰাম হাজৰিকাদেৱৰ ওপৰত প্ৰকাশ হ'ব লগীয়া গ্ৰন্থখনৰ কাম পূৰ্ণগতিত আগবাঢ়িছে লগতে উন্মোচক হিচাপে এগৰাকী বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত কৰা হয়।

উল্লেখযোগ্যযে ২০২২ চনৰ ১ জুলাই তাৰিখে পদ্যবুৰঞ্জীৰ প্ৰণেতা দুতিৰাম স্বৰ্ণকাৰ হাজৰিকা সাতোলাৰ ১২১ সংখ্যক জন্মদিন যোৰহাট মহাবিদ্যালয় গৱেষণা কোষ, বুৰঞ্জীবিদ দুতিৰাম স্বৰ্ণকাৰ হাজৰিকা স্মৃতিৰক্ষা সমিতিৰ যুটীয়া উদ্যোগত অনুষ্ঠিত কৰা হয়। ড° দেৱব্ৰত শৰ্মাই সভাপতিত্ব কৰা এই অনুষ্ঠানত ডিব্ৰুগড়ৰ ৰীণা ঢলুৱা দাস, তিনিচুকীয়া কৃতি প্ৰসাদ চলিহা, যোৰহাট মহাবিদ্যালয়ৰ শুভাকাংক্ষী তথা যোৰহাট জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সান্ত্বনা শৰ্মা, দুৰ্লভ চন্দ্ৰ দাস, ড° পৰাণ বৰুৱা, থানেশ্বৰ দাস, ডিব্ৰুগড়ৰ ৰাধা ঢলুৱা দাসে বুৰঞ্জীবিদগৰাকীয়ে অসমীয়া সাহিত্য আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে বক্তব্য প্ৰদান কৰে।

এই অনুষ্ঠানতে ড°দেৱব্ৰত শৰ্মাৰ সম্পাদিত বুৰঞ্জীবিদ গৰাকীৰ ওপৰত "বণিয়া জাতিৰ বুৰঞ্জী "ৰসিক পুৰাণৰ ৰচক, 'অসম পদ্য বুৰঞ্জী প্ৰণেতা 'দুতিৰাম স্বৰ্ণকাৰ হাজৰিকা' শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰা হয়। এই অনুষ্ঠানৰ আঁত ধৰে ড° বিদ্যুৎ বৰা আৰু ড° দিগন্ত কুমাৰ ফুকনে।।

২০২২ চনৰ ১৭ অক্টোবৰ তাৰিখে হোৱা সভা এখনত ক্ষেত্ৰ-অধ্যয়ন বিষয় কোষসমূহৰ অীনত আয়োজন কৰিবলগীয়া ক্ষেত্ৰ অধ্যয়নৰ বিষয় অধ্যয়নৰ ওপৰত লগতে বাৰ্ষিক গৱেষণা পৰিষদৰ সভাৰ সম্বন্ধে সবিশেষ আলোচনা কৰা হয়।

২০২২ চনৰ ১২ নৱেম্বৰ তাৰিখে যোৰহাট মহাবিদ্যালয়ৰ গৱেষণা কোষৰ বাৰ্ষিক সাধাৰণ সভাখন দিনৰ ১১ বজাত অনুষ্ঠিত কৰা হয়। সভাপতি তথা অধ্যক্ষ মহোদয় ড° দেৱব্ৰত শৰ্মাই আসন গ্ৰহণ কৰাৰ লগতে ড° দিগন্ত কুমাৰ ফুকনে (সমন্বয়কে) সভাৰ উদ্দেশ্য ব্যাখা কৰে। গৱেষণা কোষৰ সমন্বয়কে বছেৰেকীয়া প্ৰতিবেদন পাঠ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা শ্ৰীমতী বৃষ্টি নেওগে। তেখেতে অধ্যায়ন কৰা এখন গ্ৰন্থৰ ওপৰত চমু আলোচনা আগবঢ়ায়। গতবৰ্ষত ২০২১ বৰ্ষৰ জুলাই মাহৰ পৰা ২০২২ বৰ্ষৰ অক্টোবৰ মাহলৈকে বিভিন্ন বিভাগে সম্পন্ন কৰা বিভিন্ন গৱেষণামূলক কৰ্মৰ খতিয়ান তথা আগন্তুক বৰ্ষত ল'বলগীয়া কৰ্মৰ ওপৰত প্ৰতি বিভাগৰ পৰা উপস্থাপন কৰা হয়। গৱেষণা কৰ্মৰ ওপৰত সভাপতি মহোদয়ৰ পৰ্যালোচনা আগবঢ়ায়। লগতে অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীযুত তৰুণ লইং ডাঙৰীয়াৰ শেহতীয়া ভ্ৰমণৰ ওপৰত আলোকপাত কৰে আৰু ড° গীতাৰ্থ গোস্বামীলৈ অভিনন্দন পত্ৰ প্ৰদান কৰা হয়। ২০২৩ চনৰ ২৬ এপ্ৰিল তাৰিখে 'বৌদ্ধিক সম্পদ অধিকাৰ দিৱস' উপলক্ষে এখন কৰ্মশালাৰ আয়োজন কৰে। এই কৰ্মশালাৰ বিষয়টি হ'ল - Women and Intelletual Property Righ day Accelenating Innovation and Creativity" ড°ৰাজীৰ লোচন গোস্বামী, বিজ্ঞানী, NEIST, যোৰহাট, তেখেতে মুখ্য বক্তব্য আগবঢ়ায়।

ক্ৰমান্বয়ে ২০২৩ চনৰ ১ জুলাই তাৰিখে যোৰহাট মহাবিদ্যালয়ৰ গৱেষণা কোষ আৰু বুৰঞ্জীবিদ দুতিৰাম স্বৰ্ণকাৰ হাজৰিকা স্মৃতিৰক্ষা সমিতিৰ সৌজন্যত ডিব্ৰুগড় হনুমান বক্স সুৰুযমল কানৈ মহাবিদ্যালয়ৰ সহযোগত অসমৰ পদ্য বুৰঞ্জী প্ৰণেতা, বুৰঞ্জীবিদ, সাহিত্যিক, অভিনেতা স্বৰ্ণশিল্পী দুতিৰাম স্বৰ্ণকাৰ হাজৰিকাদেৱৰ ১২৩ সংখ্যক মৃত্যু দিৱস উদযাপন কৰা হয়। সভাৰ আৰম্ভণিতে বুৰঞ্জীবিদ গৰাকীৰ সোঁৱৰণিত বন্তি জ্বলাই বুৰঞ্জীবিদ পৰিয়ালৰ শ্ৰীযুতা উষাৰাণী ঢলুৱাই আৰু পুষ্পাঞ্জলি অৰ্পন কৰে। সভাপতিৰ লগতে আজিৰ সভাৰ নিৰ্দিষ্ট বক্তাৰ সাহিত্যিক পেঞ্চনাৰ শ্ৰীযুত কীৰ্তি প্ৰসাদ চলিহাদেৱে ভাষণ প্ৰদান কৰে. তেখেতে পদ্য বুৰঞ্জীৰ প্ৰণেতাগৰাকীৰ সাহিত্যকৃতি আৰু জীৱন সম্পৰ্কে ইজৰাইল পেলেষ্টাইন যুদ্ধৰ সম্পৰ্কত এক নিৰপেক্ষ আলোচনাৰ বাবে গৱেষণা কোষৰ উদ্যোগত এখন সভা আয়োজন কৰা হয়। ড° দিগন্ত কুমাৰ ফুকনে আঁত ধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখা কৰে আৰু অনুষ্ঠানটি মহাবিদ্যালয়ৰ অধ্যাপক ড° বিদ্যুৎ বৰাই। অধ্যক্ষ ড° দেৱব্ৰত শৰ্মা, অধ্যাপক ড° ৰঞ্জিত ভট্টাচাৰ্য, অধ্যাপক

ৰক্তিমজ্যোতি হাজৰিকা, অধ্যাপক তৰুণ লইং আদি
ব্যক্তিসকলে এক বস্তুনিষ্ঠ আলোচনা আগবঢ়ায়। শিক্ষক-
শিক্ষয়িত্রী উপস্থিত থকা এই আলোচনা সভাৰ শেষত

শলাগৰ শৰাই আগবঢ়ায় ড° দিগন্ত কুমাৰ ফুকনে। উল্লেখযোগ্য যে ২০২৩ চনৰ ১৭অক্টোবৰ তাৰিখে এখনি ৱেবিনাৰ আয়োজন কৰে। গৱেষণা কোষে আয়োজন কৰা এই অনলাইন সভাখনৰ বিষয়টি হ'ল 'Proverty in India : Issues and stnategies for Eradication' দিৱস উপযাপনৰ উপলক্ষে এই সভাৰ আয়োজন কৰা হৈছিল। এই সভাৰ মুখ্য বক্তা হ'ল - শ্ৰী দীপাঞ্জন কাশ্যপ, সহকাৰী অধ্যাপক , Agri Economics. তেখেতে IIT Kharagpur ৰ পৰা পি.এইচ ডি গ্ৰহণ কৰি আছে। তেখেতে আমেৰিকা, আফ্ৰিকা, এছিয়াৰ দ্ৰবিদ্ৰতাৰ ওপৰত এই সভাতে আলোকপাত কৰে। মাবিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্রয়ো 'বিশ্ব মাতৃভাষা দিৱস উদযাপনত সহযোগিতা আগবঢ়াই অহাৰ লগে লগে বিদেশী ভাষা আৰু স্থানীয় জনগোষ্ঠীয় ভাষা শিক্ষণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

উপৰিউক্ত সমূহ কৰ্মসূচী যোৰহাট মহাবিদ্যালয়ৰ কোষ সমূহে সময়ে সময়ে আয়োজন কৰি আহিছে। শিক্ষাৰ গুণগত দিশটোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি বিভিন্ন কার্যসূচী পালন কৰি আহিছে।♦

সংযোজন ঃ

যোৰহাট মহাবিদ্যালয় প্ৰকাশন কোষ তথা বিভিন্ন প্ৰকাশনৰ সহযোগত মহাবিদ্যালয়ৰ বিভিন্ন শিক্ষক-কর্মচাৰী শিক্ষার্থী আৰু বিভাগসমূহে প্ৰকাশ কৰা গ্ৰন্থসমূহ ঃ

কিতাপৰ নাম	লেখক/সম্পাদক/সম্পাদিকা

যোৰহাট মহাবিদ্যালয় প্ৰকাশন কোষ তথা বিভিন্ন প্ৰকাশনৰ সহযোগত মহাবিদ্যালয়ৰ শিক্ষক-কর্মচাৰ, শিক্ষার্থী আৰু বিভাগসমূহে প্ৰকাশ কৰা গ্ৰন্থসমূহ: -

কিতাপৰ নাম লেখক/সম্পাদক/সম্পাদিকা

১। সোণালী সপোন ঃ - সম্পা. মনোজ্ঞ প্ৰাণ বৰদলৈ, গৌতম বেজবৰুৱা (২০১২)
২। যোৰহাট আৰু অন্যান্য ঃ -উৎপল দত্ত (২০১৬)
৩। অংকুৰণ ঃ - মুকুল কন্দলী, ৰঞ্জিতা অধ্যাপক (২০১৬)
৪। সৃষ্টিৰ সঁফুৰা ঃ - সম্পা. শ্ৰী ৰঞ্জিতা অধ্যাপক (২০১৮)
৫। বিপন্ন পৰিৱেশ - বিঘ্নিত সমাজ ঃ - ড° দিগন্ত কুমাৰ ফুকন (২০১৯)
৬। খোজঃ জ্ঞানৰ এক অবিৰত যাত্রা ঃ - সম্পা. প্ৰশান্ত পূজাৰী, দয়া সাগৰ কলিতা (২০১৯)
৭। অন্বীক্ষণ ঃ -ড° দিগন্ত কুমাৰ ফুকন (২০২২)
৮। পৰিৱেশ, নাৰীবাদ, এল.জি.বি.টি.কিউ ইত্যাদি ঃ - ড° দিগন্ত কুমাৰ ফুকন (২০২২)

৯। উন্মিলন: - বৰষা বৰগোহাঁই (২০২২)

১০। সোঁৱৰণীৰ সমলয় ঃ - সম্পা. বিতুপন বৰা, কাকু মণি বৰা (২০২২)

১১। Book - THE CHALLENGE OF CHANGING THE MINDSET OF THE PEOPLE TO ERADICATE GENDER DISCRIMINATION
EDITOR - BORNALI SARMA KOTOKY (2011)

১২। Book - ENVIRONMENTAL AWARENESS
A Great Challenge to Control Environmental Pollution
EDITOR - Nilima Bora (2011)

১৩। Book - Implementation and social Implication of National Rural Employment Guarantee Act
EDITOR - Dr. Sujata Phukan (2011)

১৪। Book - CULTURAL TOURISM IN THE NORTH- EAST,
EDITOR - UTPAL DUTTA(2011)

১৫। Book - PROCEEDINGS OF THE NATIONAL SEMINAR ON Science, Technology and Their Impact on Society with Special Reference to NORTH - EAST INDIA
EDITOR - Diganta Kumar Phukan (2014)

১৬। Book- Issues of the Marginalised Communities Of Assam: Some Selected Essays
EDITOR- Diganta Kr. phukan(2014)

১৭। Book - History of Print Media of colonial Assam and Its Impact on Contemporary Society. EDITOR - Dr. Soumitra Puzari (2016)

১৮। Book - Tea Industry & Society in Assam: Problems and Prospects,
EDITOR - Swapanajyoti Borah(2016)

১৯। Book - Displacement, Deprivation and Inequalities: Some Selected essays
EDITOR - Dr. Diganta Kumar Phukan(2018)

২০। Book - INTRODUCTION TO SOCIOLOGY
AUTHOR - Dr. Diganta Kumar Phukan (2019)
Meghali Das, Sneha Smita Bora, Daya Sagar Kalita

২১। INSIGHT -Journal- Teachers' Journal - ECONOMICS

২২। JJOCEF - JOURNAL OF JORHAT COLLEGE ECONOMIC FORUM(Students' Forum)

২৩। JOCOJOSS - JORHAT COLLEGE JOURNAL OF SOCIAL SCIENCES- by the DMC, Sociology

২৪। Sociological Imprint - by Sociological Study Circle(Students' Forum)

২৫। PRAGYA - by the Teachers- Education

২৬। Itihash Darpan - by the Department History

২৭। Prospect - by the Teacher - Philosophy

২৮। Epoche - by the Students - Philosophy
২৯। Reflections - by the Department of Political Science
৩০। 'বিভাৱন' - অসমীয়া বিভাগ - শিক্ষকৰ গৱেষণা পত্রিকা
৩১। "সুৱাগমণি" - অসমীয়া বিভাগৰ ছাত্র-ছাত্রীৰ দ্বাৰা
৩২। অন্বীক্ষা - যোৰহাট মহাবিদ্যালয় শিক্ষক গোট, ১৯৮৭
৩৩। ' Editor-Rasmi Das - National Education Policy 2020: Challenges and Prospects with special reference to Teacher Education for Continuous Professional Development, 2023
৩৪। ' Rasmi Das- Mehar - 2024
৩৫। ' Dr. Bidyut Bora- The Bodo Peace Accord of 2020: Implication for Reconciliation and Development in the North East
৩৫। 'Raktimjyoti Hazarika- Aamar Gaon Amar Itihash, 2024
৩৬। Dr. Bidyut Bora- Heerawoli Hafura, 2024
৩৭। Juli Saikia- Educational Status of rural male and female-A case study of rural areas of Jorhat district, 2024
৩৮। Dr. Diganta Kumar Phukan- Kohinoor, 2024
৩৯। Dr. Soumitra Puzari, Parikrama, 2024
৪০। Dr. Bidyut Bora, "Peace and Development in the North East: Prospects and Constraints"
৪১। Religious Transformation of the Ahoms of Assam - Dr. Diganta Kr. Phukan
৪২। Excursus - Journal- the Department of English
৪৩। The Challenge of changing the Mindset of the People to Eradicate Gender Discrimination- Ed. Barnali Sarma Kotoky.

যোৰহাট মহাবিদ্যালয় শিক্ষকসকলে লাভ কৰা বঁটাসমূহ ঃ

দ° দেবব্রত শর্মা ঃ ক) ড° ময়িদুল ইছলাম বড়া বঁটা (২০১৭)
খ) আভিধানিক তেঙাই মহন বঁটা (২০২২)

ড° সৌমিত্র পূজাৰী ঃ বিশেষ দক্ষতাৰে কৰা পি. এইচডি.ৰ গৱেষণা-কর্মৰ বাবে অসম চৰকাৰৰ প্রশংসন-পত্র লাভ (২০২২)

অণিমা নেওগ ঃ ক) সমৰ সাহিত্য সন্মান ('ফটা ডায়েৰীৰ এখিলা পাত' গ্রন্থৰ বাবে, কলকাতা, ২০১৬)

খ) ভাৰতজ্যোতি পুৰস্কাৰ—নতুন দিল্লী, (২০১৮)
গ) শ্ৰেষ্ঠ সাহিত্যিক বঁটা—যোৰহাট, (২০১৮)
ঘ) গ্ল'ৰী অৱ ইণ্ডিয়া বঁটা—নতুন দিল্লী, (২০১৯)
ঙ) ৰাষ্ট্ৰীয় গৌৰৱ এৱার্ড—নতুন দিল্লী, (২০১৯)
চ) বেষ্ট চিটিজেন অৱ ইণ্ডিয়া এৱার্ড—নতুন দিল্লী, (২০১৯)
ছ) সাহিত্য প্ৰেৰণা বঁটা—যোৰহাট (২০২০)
জ) ড° আম্বেদকাৰ ফেল'শ্বিপ ৰাষ্ট্ৰীয় এৱার্ড—নতুন দিল্লী, (২০২০)
ঝ) আউটষ্টেডিং চিটিং এৱার্ড— (২০২২)
ঞ) শ্ৰীময়ী উপাধি—দিগ্‌দৰ্শন, যোৰহাট (২০২২)
ট) মহিলা শক্তি শিৰোমণি এৱার্ড—নতুন দিল্লী, (২০২২)
ঠ) ভাৰতৰত্ন ড° এ. পি. জে. আব্দুল কালাম এক্সেলেন্স এৱার্ড—নতুন দিল্লী, (২০২২)
ড) ৰাষ্ট্ৰীয় গৌৰৱ এৱার্ড—হাৰিয়ানা (২০২৩)
ঢ) মহাত্মা গান্ধী লাইফটাইম এচিভমেণ্ট এৱার্ড—নতুন দিল্লী, (২০২৩)
ণ) বংগ গৌৰৱ সন্মান—কলকাতা (২০২৩)

যোৰহাট মহাবিদ্যালয় প্ৰকাশন কোষ ঃ
সভাপতি ঃ দ° দেৱব্ৰত শৰ্মা
সম্পাদক ঃ দ° দিগন্ত কুমাৰ ফুকন
সদস্য ঃ ড° জ্যোতিৰ্ময় বৰদলৈ
ড° বিদ্যুৎ বৰা
ড° ৰঞ্জিত ভট্টাচাৰ্য
ৰশ্মি দাস

যোৰহাট মহাবিদ্যালয় গৱেষণা কোষ ঃ
সভাপতি ঃ দ° দেৱব্ৰত শৰ্মা
সম্পাদক ঃ দ° দিগন্ত কুমাৰ ফুকন

ইতিহাসবিদ সুৰেন্দ্ৰ নাৰায়ণ ৰাজকুমাৰ যাদুঘৰ ঃ
সভাপতি ঃ দ° দেৱব্ৰত শৰ্মা
যাদুঘৰীয়া ঃ দ° দিগন্ত কুমাৰ ফুকন